# ASSAM LEGISLATIVE ASSEMBLY
## ( BUDGET SESSION)
## BULLETIN PART - I
## BRIEF RECORD OF PROCEEDINGS
## TUESDAY, THE 25th MARCH, 2025

**9.30 A.M.**

### 15.1 QUESTIONS

#### i) Starred Questions

Starred Question Nos. 241 to 250 were orally answered. Replies to Starred Question Nos. 251 to 260 were laid on the Table.

#### ii) Unstarred Questions

Replies to Unstarred Question Nos. 577 to 612 were laid on the Table.

**10.30 A.M.**

### 15.2 ZERO HOUR

The following Members raised matters as mentioned below :

i) Hon'ble Member Shri Terash Gowalla raised :

"অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ গৌৰৱোজ্জ্বল ইতিহাস ভাৰতবৰ্ষৰ সকলো সচেতন ব্যক্তিয়েই জানে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ৰাজকোষে আগবঢ়োৱা চাহ উদ্যোগৰ বৰঙণি অপৰিসীম। ৰ'দ, বৰষুণ, ভোক-পিয়াহ সকলো নেওচি কপালৰ কেঁচা ঘাম আই অসমীৰ বুকুত পেলাই হাবি-জংগল কাটি, নলা-নৰ্দমা সকলো সমান কৰি চাহ খেতি উৎপাদনত জড়িত হোৱা চাহ শ্ৰমিক সকলৰ সামাজিক নিৰাপত্তাৰ আৰু শ্ৰম কৰাৰ বিনিময়ত আইনগত সা-সুবিধা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা বাগিছা শ্ৰম আইন ১৯৫১ আছে। আইন প্ৰদত্ত কিছু সা-সুবিধা সম্পৰ্কে চাহ শ্ৰমিক সকল কিছু অৱগত। কিন্তু অসমৰ চাহ বাগিছাত নিয়োজিত চাহ শ্ৰমিক সকল কঠোৰ পৰিশ্ৰমৰ বিনিময়ত পাবলগীয়া নূন্যতম দৈনিক মজুৰী বৃদ্ধি প্ৰক্ৰিয়া সম্পৰ্কে জ্ঞাত নোহোৱাৰ বাবে চাহ শ্ৰমিক সকল হতাশাত ভূগিব লগা হয়।"

Hon'ble Minister Shri Rupesh Gowalla replied to the matter raised.

ii) Hon'ble Member Shri Abdur Rashid Mandal raised :

"প্ৰশ্ন কাকত ফাদিল- পৰীক্ষা বাতিল, শিক্ষা পৰিষদৰ অধ্যক্ষ-পৰীক্ষা নিয়ন্ত্ৰকক বৰ্খাস্তৰ দাবী দল-সংগঠনৰ।"

Hon'ble Minister Dr. Ranoj Pegu replied to the matter raised.

iii) Hon'ble Member Shri Mrinal Saikia raised :

"কাৰ্বি আংলং জিলাৰ বোকাজান সমষ্টিৰ অন্তৰ্গত দেওপানী অঞ্চলত অৱস্থিত ঐতিহ্যমণ্ডিত দেওপানী থান খন এটা ব্যৱসায়িক গোষ্ঠীয়ে ব্যক্তিগত সম্পত্তিৰ দৰে ব্যৱহাৰ কৰি আহিছে আৰু ভক্ত সকলে আগবঢ়োৱা সকলো দান-বৰঙণী আত্মসাৎ কৰিছে, এই গুৰুত্বপূৰ্ণ বিষয়টো বিধান সভাত আলোচনা কৰা হওঁক।"

Hon'ble Minister Shri Bimal Borah replied to the matter raised.

**<u>11.19 A.M.</u>**

## 15.3 <u>CALLING ATTENTION</u>

Hon'ble Member Shri Jakir Husain Sikdar raised the following matter :

"গড়াখহনীয়া ৰোধ আৰু মথাউৰি নিৰ্মাণ সম্পৰ্কে।"

Hon'ble Minister Shri Pijush Hazarika replied to the matter raised.

**<u>11.29 A.M.</u>**

## 15.4 <u>SPECIAL MENTION UNDER RULE 301</u>

The following Hon'ble Members raised matters as mentioned below :

i) Hon'ble Member Shri Diplu Ranjan Sarmah raised

"Proposal for introducing a mandatory 'Library Hour' in Government School."

Hon'ble Minister Dr. Ranoj Pegu replied to the matter raised.

ii) Hon'ble Member Shri Ramendra Narayan Kalita raised :

"মেটেকাৰে ভৰিছে সৰুচলা-বৰচলা বিল।"

Hon'ble Minister Shri Jayanta Malla Baruah replied to the matter raised.

iii) Hon'ble Member Shri Suzam Uddin Laskar raised :

"বেয়ালিপার জিপিতে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ তালিকা তৈৰিতে অনিয়মৰ অভিযোগ সম্পৰ্কে আলোচনাৰ বাবে।"

Hon'ble Minister Shri Ranjeet Kumar Dass replied to the matter raised.

**12.02 P.M.**

**15.5 PAPER – LAID**

Hon'ble Minister Shri Chandra Mohan Patowary laid the Annual Administrative Report of the Transformation and Development Department for the year 2023-24.

**12.03 P.M.**

**15.6 REPORT OF CAG – PRESENTED**

Hon'ble Minister Shri Chandra Mohan Patowary presented the Report of the Comptroller and Auditor General of India on Local Bodies for the period 2021 -22 to 2022-23.

**12.04 P.M.**

**15.7 REPORTS OF ASSEMBLY COMMITTEES – PRESENTED**

i) **SHRI NURUL HUDA,** Chairperson, Committee on Public Accounts, Assam Legislative Assembly presented the 189$^{th}$, 190$^{th}$, 191$^{st}$ and 192$^{nd}$ Reports of the Committee.

ii) **SHRI TERASH GOWALLA,** Chairperson, Committee on Petitions, Assam Legislative Assembly presented the 51$^{st}$ Report of the Committee.

iii) **SHRI CHAKRADHAR GOGOI,** Chairperson, Committee on Local Fund Accounts, Assam Legislative Assembly presented the 11$^{th}$ and 12$^{th}$ Reports of the Committee.

iv) **SHRI SUSHANTA BORGOHAIN,** Chairperson, Committee on Government Assurances, Assam Legislative Assembly to present the 59$^{th}$ Report of the Committee.

**12.05 P.M.**

## 15.8 GOVERNMENT BILLS – PASSED

a) **The Assam Coaching Institutes (Control and Regulation) Bill, 2025.**

The motion for consideration of the Bill was moved by Hon’ble Minister Dr. Ranoj Pegu.

The following Members participated in the discussion –

1) Shri Abdur Rashid Mandal
2) Shri Aminul Islam (Sr.)
3) Dr. Paramananda Rajbongshi
4) Shri Durga Das Boro
5) Shri Nurul Huda
6) Dr. Rafiqul Islam
7) Shri Dipayan Chakraborty
8) Shri Rupjyoti Kurmi
9) Shri Wazed Ali Choudhury
10) Shri Krishna Kamal Tanti
11) Shri Jakir Hussain Sikdar
12) Shri Manoranjan Talukdar
13) Shri Gobinda Chandra Basumatari
14) Shri Kamalakhya Dey Purkayastha
15) Shri Sherman Ali Ahmed
16) Shri Ganesh Kumar Limbu

* Hon’ble Minister Dr. Ranoj Pegu replied to the discussion.

The motion for consideration moved by Dr. Ranoj Pegu was adopted and clause by clause consideration of the Bill was taken up.

---

* At 1.45 P.M. during the reply of Dr. Ranoj Pegu, the Hon’ble Deputy Speaker directed Shri Sherman Ali Ahmed to withdraw from the House, whereupon the Member withdrew.

Clause 2 was adopted
Clause 3 with amendment was adopted
Clause 4 was adopted
Clause 5 was adopted
Clause 6 was adopted
Clause 7 was adopted
Clauses 8 and 9 were adopted
Clause 10 was adopted
Clause 11 was adopted
Clause 12 was adopted
Clauses 13 to 16 were adopted
Clause 17 was adopted
Clause 18 was adopted
Clause 19 was adopted
Clause 20 was adopted
Clause 21 was adopted
Clause 1, Enacting Formula, Preamble and Long Title were adopted.

Hon'ble Minister Dr. Ranoj Pegu moved the motion that the Bill with amendment be passed.

The motion was adopted and the Bill with amendment was passed.

b) **The Assam Veterinary and Fishery University (Amendment) Bill, 2025.**

The motion for consideration of the Bill was moved by Hon'ble Minister Shri Krishnendu Paul.

The following Members participated in the discussion –

1) Shri Abdur Rashid Mandal
2) Dr. Rafiqul Islam
3) Shri Aminul Islam (Sr.)
4) Shri Jakir Hussain Sikdar

Hon'ble Minister Shri Krishnendu Paul replied to the discussion.

The motion for consideration moved by Shri Krishnendu Paul was adopted and clause by clause consideration of the Bill was taken up.

Clause 2 was adopted
Clause 3 was adopted
Clause 4 was adopted
Clauses 5 to 7 were adopted
Clause 8 with amendment was adopted
Clauses 9 to 12 were adopted
Clause 1, Enacting Formula, Preamble and Long Title were adopted.

Hon'ble Minister Shri Krishnendu Paul moved the motion that the Bill with amendment be passed.

The motion was adopted and the Bill with amendment was passed.

**2.52 P.M.**

**15.9 MOTION UNDER RULE 131 – NEGATIVED**

Hon'ble Leader of the Opposition Shri Debabrata Saikia moved :

"This House resolves that the Government should take concrete measures to eradicate widespread corruption in the implementation of the "Orunodoi" scheme launched by the Government of Assam and give preference to the poor eligible widows, divorced women and specially abled persons under the Scheme."

The following Members participated in the discussion.

1) Shri Aminul Islam (Sr.)
2) Shri Abdul Batin Khandakar
3) Shri Chakradhar Gogoi
4) Dr. Rafiqul Islam
5) Shri Diganta Barman
6) Shri Kamalakhya Dey Purkayastha
7) Shri Jakir Hussain Sikdar
8) Shri Abdur Rashid Mandal
9) Shri Durga Das Boro

Hon'ble Minister Smti Ajanta Neog replied. Motion was submitted to the vote of the House and negatived.

**<u>3.37 P.M.</u>**

**15.10 <u>ANNOUNCEMENTS</u>**

a) Hon'ble Speaker announced the names of the Members elected to various committees of Assam Legislative Assembly.

i) Shri Bijoy Malakar – Committee on Public Accounts
ii) Shri Krishna Kamal Tanti – Committee on Estimates
iii) Shri Promod Borthakur – Committee on Public Undertakings
iv) Shri Sanjoy Kishan – Committee on the Welfare of OBC and MOBC

b) Hon'ble Speaker announced the names of the Members elected to the Bodoland University Court –

1) Shri Ajoy Kumar Ray
2) Shri Govinda Chandra Basumatari
3) Shri Jolen Daimary
4) Shri Jiron Basumatary
5) Shri Jakir Hussain Sikdar
6) Shri Jadab Swargiary
7) Md Aminul Islam

C) Hon'ble Speaker announced the names of the Members elected to the Board of Management of Krishna Kanta Handique State Open University –

i) Shri Rupak Sharma
ii) Shri Dharmeswar Konwar

* d) Hon'ble Speaker gave his rulings on the following –

i) Censure Motion against Hon'ble Minister Shri Ashok Singhal, given notice of by Hon'ble Leader of the Opposition Shri Debabrata Saikia.

---

* Made in Assamese. For text see Assamese version of Bulletin part-I dated 25th March, 2025.

ii) Motion of breach of privilege against Hon'ble Chief Minister Dr. Himanta Biswa Sarma regarding an observation made by him in his reply to discussion on Speaker's Initiative at BTC, given notice of by Hon'ble Leader of the Opposition Shri Debabrata Saikia.

iii) Motion of breach of privilege against Hon'ble Chief Minister Dr. Himanta Biswa Sarma alleging misinterpretation of facts during the discussion on Justice (Retd) B.K. Sharma Committee reports given notice of by Hon'ble Leader of the Opposition Shri Debabrata Saikia.

e) On alleged manhandling of Hon'ble Deputy Speaker by members of the House and the matter which was referred to Privilege Committee, Assam Legislative Assembly.

The Business listed for the day concluded with the valedictory speech made by the Hon'ble Speaker.

**3.53 P.M.**

**15.11 STATE ANTHEM**

The State Anthem was played.

**3.55 P.M.**

The House adjourned *sine die* at 3.55 P.M.

**Dispur**
The 25th March, 2025

**Sd/-D. Pegu**
Secretary,
Assam Legislative Assembly

Memo No. LALNG/BL/01/2024/2516 Dated Dispur the, 25th March, 2025.

**Copy forwarded to:-**

All Members of the Assam Legislative Assembly .

Chief Reporter-Cum- Editor of Debates
& Ex-Officio Joint Secretary
Assam Legislative Assembly.

**অসম বিধান সভা**
**বাজেট অধিবেশন**
**সংবাদ - বিবৃতি (প্ৰথম খণ্ড)**
**(সংক্ষিপ্ত কাৰ্যবিৰৰণী)**
**মঙ্গলবাৰ, ২৫ মাৰ্চ, ২০২৫**

**ৰাতিপুৱা ৯.৩০ বজাত**

**১৫.১ প্ৰশ্নসমূহ**

**(ক) তৰাচিহ্নিত প্ৰশ্ন**

তৰাচিহ্নিত প্ৰশ্ন নং ২৪১ ৰ পৰা ২৫০ লৈ মৌখিকভাৱে উত্তৰ প্ৰদান কৰা হয়। তৰাচিহ্নিত প্ৰশ্ন নং ২৫১ ৰ পৰা ২৬০ লৈকে উত্তৰসমূহ সদনৰ মেজত ৰখা হয়।

**(খ) তৰাবিহীন প্ৰশ্ন**

তৰাবিহীন প্ৰশ্ন নং ৫৭৭ ৰ পৰা ৬১২ লৈকে উত্তৰসমূহ সদনৰ মেজত ৰখা হয়।

**(গ) তাকৰীয়া সময়ৰ জাননীৰ প্ৰশ্ন**

তাকৰীয়া সময়ৰ জাননীৰ সৰ্বমুঠ ৫ টাকৈ প্ৰশ্ন উত্থাপনৰ অন্তত উত্তৰসমূহ সদনৰ মেজত দাখিল কৰা হয় ।

**ৰাতিপুৱা ১০.৩০ বজাত**

**১৫.২ শূণ্যকালীন ঘণ্টা**

শূণ্যকালীন ঘণ্টাৰ কালছোৱাত নিম্নোল্লিখিত বিষয়সমূহ উত্থাপিত হয় ঃ

ক) মাননীয় সদস্য শ্ৰী তেৰছ গোৱালাই "অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ গৌৰৱোজ্জ্বল ইতিহাস ভাৰতবৰ্ষৰ সকলো সচেতন ব্যক্তিয়েই জানে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ৰাজকোষে আগবঢ়োৱা চাহ উদ্যোগৰ বৰঙণি অপৰিসীম। ৰ'দ, বৰষুণ, ভোক-পিয়াহ সকলো নেওচি কপালৰ কেঁচা ঘাম আই অসমীৰ বুকুত পেলাই হাবি-জংঘল কাটি, নলা-নৰ্দমা সকলো সমান কৰি চাহ খেতি উৎপাদনত জড়িত হোৱা চাহ শ্ৰমিক সকলৰ সামাজিক নিৰাপত্তাৰ আৰু শ্ৰম কৰাৰ বিনিময়ত আইনগত সা-সুবিধা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা বাগিছা শ্ৰম আইন ১৯৫১ আছে। আইন প্ৰদত্ত কিছু সা-সুবিধা সম্পৰ্কে চাহ শ্ৰমিক সকল কিছু অৱগত। কিন্তু অসমৰ চাহ বাগিছাত নিয়োজিত চাহ শ্ৰমিক সকল কঠোৰ পৰিশ্ৰমৰ বিনিময়ত পাবলগীয়া নূন্যতম দৈনিক মজুৰী বৃদ্ধি প্ৰক্ৰিয়া সম্পৰ্কে জ্ঞাত নোহোৱাৰ বাবে চাহ শ্ৰমিক সকল হতাশাত ভূগিব লগা হয়।" শীৰ্ষক বিষয়টো উত্থাপন কৰে।

মাননীয় মন্ত্ৰী শ্ৰী ৰূপেশ গোৱালাই উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

খ) মাননীয় সদস্য শ্ৰী আব্দুৰ ৰশিদ মণ্ডলে "প্ৰশ্ন কাকত ফাদিল- পৰীক্ষা বাতিল, শিক্ষা পৰিষদৰ অধ্যক্ষ-পৰীক্ষা নিয়ন্ত্ৰকক বৰ্খাস্তৰ দাবী দল-সংগঠনৰ।" শীৰ্ষক বিষয়টো উত্থাপন কৰে।

মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

গ) মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়াই "কাৰ্বি আংলং জিলাৰ বোকাজান সমষ্টিৰ অন্তৰ্গত দেওপানী অঞ্চলত অৱস্থিত ঐতিহ্যমণ্ডিত দেওপানী থান খন এটা ব্যৱসায়িক গোষ্ঠীয়ে ব্যক্তিগত সম্পত্তিৰ দৰে ব্যৱহাৰ কৰি আহিছে আৰু ভক্ত সকলে আগবঢ়োৱা সকলো দান-বৰঙণি আত্মসাৎ কৰিছে, এই গুৰুত্বপূৰ্ণ বিষয়টো বিধান সভাত আলোচনা কৰা হওঁক।" শীৰ্ষক বিষয়টো উত্থাপন কৰে।

মাননীয় মন্ত্ৰী শ্ৰী বিমল বড়াই উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

**ৰাতিপুৱা ১১.১৯ বজাত**

**১৫.৩ মনোযোগ আকৰ্ষণ**

মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰে নিম্নোল্লিখিত বিষয়টো উত্থাপন কৰে ঃ
"গড়াখহনীয়া ৰোধ আৰু মথাউৰি নিৰ্মাণ সম্পৰ্কে।"

মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকাই উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

**ৰাতিপুৱা ১১.২৯ বজাত**

**১৫.৪ নিয়ম ৩০১ ৰ অধীনত বিশেষ উল্লেখ**

ক) মাননীয় সদস্য শ্ৰী দিপ্লু ৰঞ্জন শৰ্মাই "Proposal for introducing a mandatory 'Library Hour' in Government School." শীৰ্ষক বিষয়টো উত্থাপন কৰে।
মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

খ) মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই "মেটেকাৰে ভৰিছে সৰুচলা-বৰচলা বিল" শীৰ্ষক বিষয়টো উত্থাপন কৰে।
মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱাই উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

গ) মাননীয় সদস্য শ্ৰী সুজাম উদ্দিন লস্কৰে "বোয়ালিপার জিপিতে প্ৰধানমন্ত্ৰী আবাস যোজনার তালিকা তৈরিতে অনিয়মের অভিযোগ সম্পৰ্কে" শীৰ্ষক বিষয়টো উত্থাপন কৰে।
মাননীয় মন্ত্ৰী শ্ৰী ৰণজিৎ কুমাৰ দাসে উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

**দুপৰীয়া ১২.০২ বজাত**

**১৫.৫ দাখিল কৰা নথি**

মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে।

**<u>দুপৰীয়া ১২.০৩ বজাত</u>**

**১৫.৬ <u>কেগৰ প্ৰতিবেদন দাখিল</u>**

মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে স্থানীয় নিকায় সমূহৰ ২০২১-২২ ৰ পৰা ২০২২-২৩ কালছোৱাৰ ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ প্ৰতিবেদন দাখিল কৰে।

**<u>দুপৰীয়া ১২.০৪ বজাত</u>**

**১৫.৭ <u>বিধান সভাৰ সমিতিসমূহৰ প্ৰতিবেদন দাখিল</u>**

ক) অসম বিধান সভাৰ চৰকাৰী হিচাপ সমিতিৰ সভাপতি **শ্ৰী নুৰুল হুদা**য়ে সমিতিৰ **১৮৯, ১৯০, ১৯১** আৰু **১৯২** তম্ প্ৰতিবেদন সমূহ সদনত দাখিল কৰে।

খ) অসম বিধান সভাৰ আবেদন সমূহৰ হিচাপ সমিতিৰ সভাপতি **শ্ৰী তেৰছ গোৱালা**য়ে সমিতিৰ **৫১** তম্ প্ৰতিবেদনখন সদনত দাখিল কৰে।

গ) অসম বিধান সভাৰ স্থানীয় নিকায় সমূহৰ হিচাপ সমিতিৰ সভাপতি **শ্ৰী চক্ৰধৰ গগৈ**য়ে সমিতিৰ **১১** আৰু **১২** নং প্ৰতিবেদন দুখন সদনত দাখিল কৰে।

ঘ) অসম বিধান সভাৰ চৰকাৰী আশ্বাস সমূহৰ সমিতিৰ সভাপতি **শ্ৰী সুশান্ত বৰগোঁহাই**য়ে সমিতিৰ ৫৯ তম্ প্ৰতিবেদনখন সদনত দাখিল কৰে।

**<u>দুপৰীয়া ১২.০৫ বজাত</u>**

**১৫.৮ <u>পাৰিত হোৱা চৰকাৰী বিধেয়ক</u>**

ক) মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে **"দি আসাম ক'চিং ইনষ্টিটিউটচ্ (কণ্ট্ৰ'ল এণ্ড ৰেগুলেশ্যন) বিল, ২০২৫"** খন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে।

নিম্নোল্লিখিত সদস্যসকলে আলোচনাত অংশগ্ৰহণ কৰে -

১) শ্ৰী আব্দুৰ ৰশিদ মণ্ডল

২) শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)

৩) ড° পৰমানন্দ ৰাজবংশী

৪) শ্ৰী দূৰ্গা দাস বড়ো

৫) শ্ৰী নুৰুল হুদা

৬) ড° ৰফিকুল ইছলাম

৭) শ্ৰী দিপায়ন চক্ৰবৰ্তী

৮) শ্ৰী ৰূপজ্যোতি কুৰ্মী

৯) শ্ৰী ওৱাজেদ আলী চৌধুৰী

১০) শ্ৰী কৃষ্ণ কমল তাঁতী

১১) শ্ৰী জাকিৰ হুছেইন সিকদাৰ

১২) শ্ৰী মনোৰঞ্জন তালুকদাৰ

১৩) শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী

১৪) শ্ৰী কমলাক্ষ দে পুৰকায়স্থ

১৫) শ্ৰী শ্বেৰমান আলী আহমেদ

১৬) শ্ৰী গণেশ কুমাৰ লিম্বু

* মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আলোচনাৰ অন্তত উত্তৰ প্ৰদান কৰে।

মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধেয়কখন বিবেচনাৰ বাবে উত্থাপন কৰা প্ৰস্তাৱটো গৃহীত হয় আৰু দফাই দফাই বিবেচনা কৰা হয়।

দফা নং ২ গৃহীত হয়

দফা নং ৩ সংশোধনী সৈতে গৃহীত হয়

দফা নং ৪ গৃহীত হয়

দফা নং ৫ গৃহীত হয়

দফা নং ৬ গৃহীত হয়

দফা নং ৭ গৃহীত হয়

দফা নং ৮ আৰু ৯ গৃহীত হয়

দফা নং ১০ গৃহীত হয়

দফা নং ১১ গৃহীত হয়

দফা নং ১২ গৃহীত হয়

দফা নং ১৩ ৰ পৰা ১৬ লৈ গৃহীত হয়

দফা নং ১৭ গৃহীত হয়

দফা নং ১৮ গৃহীত হয়

দফা নং ১৯ গৃহীত হয়

দফা নং ২০ গৃহীত হয়

---

* দুপৰীয়া ১.৪৫ বজাত মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উত্তৰ দি থকা সময়ত মাননীয় উপাধ্যক্ষই মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদক দিনটোৰ পৰৱৰ্তী সময়ৰ বাবে সদনৰ পৰা অপসাৰণ কৰে।

দফা নং ২১ গৃহীত হয়

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম গৃহীত হয়।

মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধেয়কখন সংশোধনী সৈতে পাৰিতকৰণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে।

প্ৰস্তাৱটো গৃহীত হয় আৰু বিধেয়কখন সংশোধনী সৈতে পাৰিত হয়।

খ) মাননীয় মন্ত্ৰী শ্ৰী কৃষ্ণেন্দু পালে **"দি আসাম ভেটেৰিনেৰী এণ্ড ফিছাৰী ইউনিভাৰ্ছিটি (এমেণ্ডমেণ্ট) বিল, ২০২৫"** খন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে।

নিম্নোল্লিখিত সদস্যসকলে আলোচনাত অংশগ্ৰহণ কৰে।

১) শ্ৰী আব্দুৰ ৰশিদ মণ্ডল

২) ড° ৰফিকুল ইছলাম

৩) শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)

৪) শ্ৰী জাকিৰ হুছেইন সিকদাৰ

মাননীয় মন্ত্ৰী শ্ৰী কৃষ্ণেন্দু পালে আলোচনাৰ অন্তত উত্তৰ প্ৰদান কৰে।

মাননীয় মন্ত্ৰী শ্ৰী কৃষ্ণেন্দু পালে বিধেয়কখন বিবেচনাৰ বাবে উত্থাপন কৰা প্ৰস্তাৱটো গৃহীত হয় আৰু দফাই দফাই বিবেচনা কৰা হয়।

দফা নং ২ গৃহীত হয়

দফা নং ৩ গৃহীত হয়

দফা নং ৪ গৃহীত হয়

দফা নং ৫ ৰ পৰা ৭ লৈ গৃহীত হয়

দফা নং ৮ সংশোধনী সৈতে গৃহীত হয়।

দফা নং ৯ পৰা ১২ লৈ গৃহীত হয়

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম গৃহীত হয়।

মাননীয় মন্ত্ৰী শ্ৰী কৃষ্ণেন্দু পালে বিধেয়কখন সংশোধনী সৈতে পাৰিতকৰণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে।

প্ৰস্তাৱটো গৃহীত হয় আৰু বিধেয়কখন সংশোধনী সৈতে পাৰিত হয়।

**দুপৰীয়া ২.৫২ বজাত**

**১৫.৯ নিয়ম ১৩১ ৰ অধীনত প্ৰস্তাৱ উত্থাপন (নাকচ)**

মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়াই তলত দিয়া প্ৰস্তাৱটো উত্থাপন কৰে -

"অসম চৰকাৰে আৰম্ভ কৰা অৰুণোদয় আঁচনি ৰূপায়নৰ ক্ষেত্ৰত সংঘটিত ব্যাপক দুৰ্নীতি নিৰ্মূলৰ বাবে সুনিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু আঁচনিৰ পৰিসৰত থকা উপযুক্ত দৰিদ্ৰ বিধৱা মহিলা, বিবাহ বিচ্ছেদ হোৱা মহিলা আৰু বিশেষভাৱে সক্ষম ব্যক্তি সকলক অগ্ৰাধিকাৰ দিব লাগে বুলি এই সদনৰ পৰা এটা প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক।"

নিম্নোল্লিখিত সদস্যকলে এই আলোচনাত অংশগ্ৰহণ কৰে ঃ

১)	শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)

২)	শ্ৰী আব্দুল বাতিন খন্দকাৰ

৩)	শ্ৰী চক্ৰধৰ গগৈ

৪)	ড° ৰফিকুল ইছলাম

৫)	শ্ৰী দিগন্ত বৰ্মন

৬)	শ্ৰী কমলাক্ষ দে পুৰকায়স্থ

৭)	শ্ৰী জাকিৰ হুছেইন সিকদাৰ

৮)	শ্ৰী আব্দুৰ ৰশিদ মণ্ডল

৯)	শ্ৰী দূৰ্গা দাস বড়ো

মাননীয় মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগে আলোচনাৰ অন্তত উত্তৰ প্ৰদান কৰে।
প্ৰস্তাৱটো সদনত ভোটদানৰ অন্তত নাকচ হয়।

<u>বিয়লি ৩.৩৭ বজাত</u>

১৫.১০	<u>ঘোষণা</u>

**ক)	মাননীয় অধ্যক্ষই অসম বিধানসভাৰ বিভিন্ন সমিতিলৈ নিৰ্বাচিত হোৱা সদস্যসকলৰ নামসমূহ ঘোষণা কৰে -**

১)	শ্ৰী বিজয় মালাকাৰ - চৰকাৰী হিচাপ সমিতি

২)	শ্ৰী কৃষ্ণ কমল তাঁতী - প্ৰাক্কলন সমিতি

৩)	শ্ৰী প্ৰমোদ বৰঠাকুৰ - ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি

৪)	শ্ৰী সঞ্জয় কিশান - অন্যান্য পিচপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিচপৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতি

**খ)	মাননীয় অধ্যক্ষই বড়োলেণ্ড বিশ্ববিদ্যালয় কোৰ্টলৈ নিৰ্বাচিত হোৱা সদস্যসকলৰ নাম ঘোষণা কৰে -**

১)	শ্ৰী অজয় কুমাৰ ৰায়

২)	শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী

৩)	শ্ৰী জলেন দৈমাৰী

৪)	শ্ৰী জিৰণ বসুমতাৰী

৫)	শ্ৰী জাকিৰ হুছেইন সিকদাৰ

৬)	শ্ৰী যাদৱ স্বৰ্গীয়াৰী

৭)	শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ)

**গ) মাননীয় অধ্যক্ষই কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় পৰিচালনা পৰিষদলৈ নিৰ্বাচিত হোৱা সদস্যসকলৰ নাম ঘোষণা কৰে -**

১) শ্ৰী ৰূপক শৰ্মা

২) শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ

**ঘ) মাননীয় অধ্যক্ষই নিম্নোল্লিখিত বিষয়সমূহ সন্দৰ্ভত তেখেতৰ ৰায় প্ৰদান/ অৱলোকন কৰে -**

**১) <u>মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহলৰ বিৰুদ্ধে মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেবব্ৰত শইকীয়াই উত্থাপন কৰা ভৰ্ৎসনাসূচক প্ৰস্তাৱৰ জাননী সন্দৰ্ভত ৰায়দান -</u>**

"মাননীয় সদস্যসকল নিশ্চয় অৱগত যে বিগত ৫ মাৰ্চ তাৰিখে মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহলৰ বিৰুদ্ধে কিছু অভিযোগ উত্থাপন কৰি মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীদেবব্ৰত শইকীয়াই ভৰ্ৎসনাসূচক প্ৰস্তাৱৰ নিচিনা এখন জাননী প্ৰেৰণ কৰিছিল। উক্ত জাননীখন কংগ্ৰেছ বিধায়িনী দলৰ সদস্যসকলে সমৰ্থন কৰিছিল ।

প্ৰণিধানযোগ্য যে ৰাজ্যখনৰ কোনো মন্ত্ৰী বা সদনৰ কোনো সদস্যৰ বিৰুদ্ধে সদনৰ মজিয়াত কোনোধৰণৰ অভিযোগ উত্থাপন কৰিব বিচাৰিলে উক্ত অভিযোগটোৰ সৈতে জড়িত কৰিব খোজা মন্ত্ৰী বা বিধায়কজনৰ পৰা বিষয়টোৰ সন্দৰ্ভত কোনোধৰণৰ বুজ নোলোৱাকৈ এনে বিষয় সদনত উত্থাপন কৰাটো নীতিবিৰুদ্ধ । অৱশ্যে, বিগত ৫ মাৰ্চ তাৰিখে বিষয়টো সদনত উত্থাপিত হ'ল আৰু বিষয়টোৰ সম্পৰ্কত মতামত দাঙি ধৰিবলৈ মই জাননী প্ৰেৰণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিলোঁ। এই সন্দৰ্ভত মন্ত্ৰীৰ মতামত ইতিমধ্যে লাভ কৰা হৈছে ।

মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহল ডাঙৰীয়াই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা কৃষ্টি সভ্যতাৰ চানেকি ভাওনাৰ সন্দৰ্ভত বিৰূপ মন্তব্য কৰা বুলি উত্থাপিত হোৱা অভিযোগ প্ৰত্যাখ্যান কৰিছে । মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই তেখেতৰ অভিযোগৰ সমৰ্থনত কোনোধৰণৰ প্ৰামাণিক নথি অথবা তথ্য সংলগ্ন কৰা নাছিল আৰু সংবাদ প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰকাশিত বাতৰিক ভিত্তি কৰি ইয়াৰ সত্যতা চালি-জাৰি নোচোৱাকৈ অভিযোগটো উত্থাপন কৰিছিল ।

এটা সম্প্ৰদায়/একাংশ নাগৰিকৰ বিৰুদ্ধে মন্তব্য কৰাৰ অভিযোগ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে — তেখেতৰ বক্তব্য সমগ্ৰ সম্প্ৰদায়/অঞ্চলটোৰ সমগ্ৰ নাগৰিকৰ বিৰুদ্ধে নাছিল আৰু সেই সম্প্ৰদায়ৰ ব্যক্তি/নাগৰিক সকলে তেওঁলোকৰ উৎসৱ-পাৰ্বনত আমাৰ যুৱকসকলক ভাগ ল'বলৈ অনুমতি প্ৰদান কৰা-নকৰাৰ সম্পৰ্কতহে আছিল ।

মাননীয় সদস্যসকল, এগৰাকী মন্ত্ৰীৰ ওপৰত ন্যস্ত চৰকাৰী দায়িত্বত ভুল-ত্ৰুটি পৰিলক্ষিত হ'লেহে তেখেতৰ বিৰুদ্ধে ভৰ্ৎসনাসূচক প্ৰস্তাৱ উত্থাপন কৰিব পৰা যায় । তাৰোপৰি, তেখেতৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সদনৰ মজিয়াত সংঘটিত হোৱা নাছিল আৰু সদনৰ বাহিৰতহে সংঘটিত হোৱা এক ঘটনা আছিল । উত্থাপিত অভিযোগটো সম্পূৰ্ণ ব্যক্তিকেন্দ্ৰিক হ'ব পাৰে কিন্তু ভৰ্ৎসনাসূচক প্ৰস্তাৱৰ উপযোগী নহয় ।এনে পৰিপ্ৰেক্ষিতত মই জাননীখন অগ্ৰাহ্য কৰিলোঁ ।"

**২) বড়োলেণ্ড প্ৰদেশীয় পৰিষদীয় বিধান সভাত অনুষ্ঠিত প্ৰথমদিনাৰ বৈঠকত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই 'অধ্যক্ষৰ উদ্যোগ' শিতানৰ আলোচনাৰ উত্তৰ প্ৰদান কৰাৰ সময়ত অৱলোকন কৰি কোৱা কিছু প্ৰসঙ্গৰ সন্দৰ্ভত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেবব্ৰত শইকীয়াই অনা বিশেষাধিকাৰ ভঙ্গৰ প্ৰস্তাৱ সন্দৰ্ভত ৰায়দান -**

"মাননীয় সদস্যসকল, মই মাননীয় বিৰোধী দলৰ দলপতি তথা আন ১৬ গৰাকী সদস্যৰ পৰা মাননীয় মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিশেষাধিকাৰ ভঙ্গৰ এখন জাননী লাভ কৰিছিলোঁ । জাননীখনত মাননীয় মুখ্যমন্ত্ৰীয়ে 'অধ্যক্ষৰ উদ্যোগ' শিতানৰ আলোচনাৰ উত্তৰ প্ৰদান কৰাৰ সময়ত অৱলোকন কৰি কোৱা কিছু প্ৰসঙ্গই বিশেষাধিকাৰ ভঙ্গ কৰিছে বুলি উল্লেখ কৰিছে ।

মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই সদনত বিশেষাধিকাৰ ভঙ্গৰ প্ৰস্তাৱ উত্থাপন কৰাৰ অনুমতি প্ৰদান কৰিবলৈ মোক অনুৰোধ জনাইছিল ।

মাননীয় সদস্যসকল, বিশেষাধিকাৰ ভঙ্গৰ প্ৰশ্নটো তেতিয়াহে উত্থাপন হয়— যদি কোনো এগৰাকী মন্ত্ৰীয়ে সম্পূৰ্ণ জ্ঞাতসাৰে ইচ্ছাকৃতভাৱে সদনক ভুল পথে পৰিচালনা কৰিবৰ বাবে বিবৃতি প্ৰদান কৰে । সেইহেতুকে এগৰাকী মন্ত্ৰীয়ে প্ৰদান কৰা মন্তব্যই সকলো ক্ষেত্ৰত বিশেষাধিকাৰ ভঙ্গ কৰাটো নুবুজায় ।

মাননীয় বিৰোধী দলৰ দলপতিয়ে তেখেতৰ জাননীখনত মুখ্যমন্ত্ৰীয়ে বিশেষাধিকাৰ ভঙ্গ কৰা বুলি কোনো পতিয়নযোগ্য ব্যাখ্যা আগবঢ়াব পৰা নাই । যদি মাননীয় বিৰোধী দলৰ দলপতি গৰাকীয়ে মাননীয় মুখ্যমন্ত্ৰীয়ে 'অধ্যক্ষৰ উদ্যোগ' শিতানৰ আলোচনা কালত অৱলোকন কৰি কোৱা কথাখিনিত একমত নাছিল, তেতিয়াহ'লে তাৰ প্ৰতিবিধানত যুক্তি উত্থাপন কৰিবলৈ বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মৱলীত অলেখ অৱকাশ আছিল ।

সেয়েহে, মই জাননীখনৰ গ্ৰহণযোগ্যতা নাকচ কৰিছোঁ ।"

**৩) ন্যায়াধীশ বি. কে. শৰ্মা (অৱসৰপ্ৰাপ্ত) তদন্ত আয়োগৰ প্ৰতিবেদন সন্দৰ্ভত নিয়ম ৫০ ৰ আওতাত অনুষ্ঠিত হোৱা আলোচনা কালত উত্তৰ প্ৰদান কৰোতে মাননীয় মুখ্যমন্ত্ৰীয়ে ভুল তথ্য প্ৰদান কৰা বুলি মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেবব্ৰত শইকীয়াই প্ৰেৰণ কৰা বিশেষাধিকাৰ ভঙ্গৰ জাননী সন্দৰ্ভত ৰায়দান-**

"মাননীয় সদস্যসকল, মই মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেবব্ৰত শইকীয়াৰ পৰা "সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্থাপিত ভ্ৰষ্টাচাৰৰ অভিযোগৰ তদন্ত কৰিবলৈ গঠিত এজনীয়া তদন্ত আয়োগৰ প্ৰতিবেদনৰ সন্দৰ্ভত বিধান সভাৰ নিয়মাৱলীৰ নিয়ম ৫০ ৰ অধীনত" অনুষ্ঠিত হোৱা আলোচনাৰ কালছোৱাত মাননীয় মুখ্যমন্ত্ৰীয়ে অশুদ্ধ তথ্য প্ৰদান কৰি বিশেষাধিকাৰ ভংগ কৰা বুলি এখন জাননী লাভ কৰিছিলো।

মাননীয় সদস্যসকল, এজন মন্ত্ৰী বা সদস্যই সদনত প্ৰদান কৰা অশুদ্ধ অথবা অসত্য তথ্যই সকলো ক্ষেত্ৰতে/ সততে সদনক ভুল পথে পৰিচালনা কৰা বুলি গণ্য কৰা নাযায় কিয়নো তেনেকুৱা অসত্য তথ্যৰ শুধৰণি কৰাৰ প্ৰতিবিধান আছে । ইচ্ছাকৃতভাৱে সম্পূৰ্ণ জ্ঞাতসাৰে সদনত অশুদ্ধ অথবা অসত্য বিবৃতি প্ৰদান কৰা বুলি প্ৰমাণ কৰিব পাৰিলেহে সদনক অবমাননা কৰা বা বিশেষাধিকাৰ ভংগ কৰা বুলি গণ্য কৰা হয় । সাম্প্ৰতিক ঘটনাটোত ন্যায়াধীশ বি কে শৰ্মা তদন্ত আয়োগৰ সন্দৰ্ভত নিয়ম ৫০ ৰ আওতাত অনুষ্ঠিত হোৱা আলোচনাৰ কালছোৱাত মুখ্যমন্ত্ৰীৰ দ্বাৰা বিতৰ্কিত তথ্য যোগান সম্পৰ্কে— মাননীয় সদস্যসকল

অৱগত যে ন্যায়াধীশ শৰ্মা আয়োগৰ সেই প্ৰতিবেদনখন ১৭ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে সদনত দাখিল কৰা হৈছিল । সদনত ভুল আৰু অসত্য তথ্য প্ৰদান কৰা সদস্য বা মন্ত্ৰীগৰাকীয়ে নিশ্চয় বুজি পায় যে তেখেতে কোৱা কথাখিনি ইতিমধ্যে সদনত উপলব্ধ কৰা প্ৰতিবেদনত নাই বুলি আন সদস্যসকলে আঙুলিয়াই দিব পাৰে । সেয়েহে, সম্পূৰ্ণ জ্ঞাতসাৰে ইচ্ছাকৃতভাৱে আৰু জানি বুজি প্ৰতিবেদনত উপলব্ধ নোহোৱা কথা উদ্ধৃত কৰি সদনক ভুল পথে পৰিচালনা কৰা বুলি গণ্য কৰাটো যথোচিত নহ'ব । কোনো মন্ত্ৰী বা সদস্যই অজানিতে তেখেতসকলে কোৱা কথাখিনি ৰাজহুৱা ডমেইনত ইতিমধ্যে উপলব্ধ হোৱা কোনো নথিত উল্লেখ আছে বুলি প্ৰকাশ কৰিলেই এনে ঘটনাক বিশেষাধিকাৰ ভংগৰ দৃষ্টিৰে গণ্য কৰিলে সদনৰ গৰিমা লাঘৱ হোৱাৰ আংশকা কৰা যায় । ভুল বুজাবুজি বা আন কোনো আনুসংগিক কাৰণত এনেধৰণৰ অশুদ্ধ বা অসত্য তথ্য অৱতাৰণাৰ ঘটনা হ'ব পাৰে । সেয়েহে, মই এই জাননীখন অগ্ৰাহ্য কৰিলোঁ ।"

**৪) বিধান সভা চৌহদত মাননীয় উপাধ্যক্ষ ডাঙৰীয়া একাংশ বিধায়কৰ হাতত শাৰীৰিকভাৱে অপদস্থ হোৱা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত — (ক) মাননীয় অধ্যক্ষৰ অৱলোকন আৰু (খ) বিষয়টো পৰীক্ষাৰ অন্তত প্ৰতিবেদন দাখিল কৰিবলৈ বিশেষাধিকাৰ সমিতিলৈ প্ৰেৰণ কৰি প্ৰদান কৰা ৰায়দান–**

**(ক)** "মাননীয় সদস্যসকল, অতি দুখ আৰু বেদনাসিক্ত হৃদয়েৰে মই কালি সদনৰ ভিতৰে বাহিৰে সংঘটিত হোৱা অতি দুৰ্ভাগ্যজনক কিছু ঘটনাৰ বিষয়ে দু-আষাৰ ব্যক্ত কৰিব বিচাৰিছো।

মাননীয় সদন, আমি সকলো অসমৰ কোটি কোটি জনতাক প্ৰতিনিধিত্ব কৰা একো একোজন জনপ্ৰতিনিধি আৰু এই সদন শতকোটি জনতাৰ আশা ভৰষাৰ একমাত্ৰ পুণ্যস্থল অথবা গণতান্ত্ৰিক প্ৰমূল্যবোধৰ উপাসনাস্থলী। অসমৰ প্ৰতিগৰাকী জনতাই নিৰ্বাচিত কৰি দিয়া জনপ্ৰতিনিধি জনৰ জৰিয়তে তেওঁবিলাকৰ সামাজিক সমস্যাসমূহ সদনৰ মজিয়াত চৰকাৰৰ আগত দাঙি ধৰি আশুসমাধানৰ আশাৰে বাট চায় ৰয়। আমি সকলোৱে অৱগত যে গণতান্ত্ৰিক প্ৰক্ৰিয়াত সদনৰ মান হৈছে সৰ্ব্বোচ্চ আৰু বিশেষ উচ্চ গৰিমা বিশিষ্ট। সদন সুনিৰ্দিষ্ট নিয়ম আৰু পৰম্পৰাৰে পৰিচালিত হয়। সদনৰ সদস্য সকলৰ আচৰণ সন্দৰ্ভত সদনৰ নিয়মাৱলীৰ নিয়মত সুনিৰ্দিষ্টকৈ উল্লেখ কৰা আছে। এইটো অনস্বীকাৰ্য্য যে, সদনৰ সদস্যসকলৰ আচৰণে সদনৰ গুণগত মান নিৰ্ধাৰণ কৰে। সদন পৰিচালনাৰ নীতি-নিয়ম সমাজৰ সকলো পৰ্য্যায়ৰ অনুষ্ঠানতকৈ পৃথক আৰু সৰ্ব্বোচ্চ মানদণ্ডৰ। শতবৰ্ষৰ ফালে বিৰাজমান হোৱা অসম বিধান সভাৰ এক উচ্চ গৰিমাময়ী সোণোৱালী ইতিহাস আৰু সুনাম আছে আৰু মোৰ বিশ্বাস মোৰ দৰে সকলোৱে সদনৰ এনে সুনাম অক্ষুণ্ণ ৰখাটো কামনা কৰে।

কিন্তু বিগত কিছু দিনত ঘাইকৈ কালি যি ঘটনা সংঘটিত হ'ল - যাৰ পৰিণতিত সদন পৰিচালনাৰ বাবে অগ্ৰসৰ হোৱা মাননীয় উপাধ্যক্ষ ডাঙৰীয়া এক অনাকাংক্ষিত পৰিস্থিতিৰ সন্মুখীন হৈ আঘাতপ্ৰাপ্ত হ'বলগীয়া হ'ল, যি নিতান্তই দুৰ্ভাগ্যজনক। জনপ্ৰতিনিধিৰ এনে আচৰণে সদনৰ গৰিমাত আঘাত হানিলে আৰু আমি সকলোৱে সদনৰ সুনাম ৰক্ষা কৰাত ব্যৰ্থ হ'লো যেন বোধ হয়।

সদন পৰিচালনাৰ ক্ষেত্ৰত অধ্যক্ষ, উপাধ্যক্ষকে আদি কৰি নিৰ্বাচিত সভাপতিমণ্ডলীয়ে সবাটোকৈ গুৰুত্বপূৰ্ণ ভূমিকা প্ৰদান কৰে। অধ্যক্ষ, উপাধ্যক্ষকে আদি কৰি নিৰ্বাচিত সভাপতিমণ্ডলীৰ উপস্থিতি অবিহনে সদনৰ কাম-কাজ পৰিচালনা কৰাটো সম্ভৱপৰ নহয়। কিন্তু কালিৰ ঘটনাত - অধ্যক্ষ আৰু উপাধ্যক্ষৰ সদনৰ প্ৰৱেশৰ বাট ৰুদ্ধ কৰি যি পৰিৱেশৰ সৃষ্টি কৰা হ'ল ই এক সম্পূৰ্ণ অশোভনীয়, অসাংবিধানিক তথা সদন পৰিচালনা নিয়মাৱলীৰ নিয়মৰ পৰিপন্থী এক নজিৰবিহীন ঘটনা হিচাপে প্ৰতিষ্ঠিত হ'ল।

মাননীয় সদস্যসকল, কালি দিনটোত সদনত বহু কেইখন গুৰুত্বপূৰ্ণ বিধেয়কক ধৰি বহু গুৰুত্বপূৰ্ণ কাৰ্য্যসূচী সম্পন্ন হ'ল। কিন্তু সকলো ইতিবাচক কাৰ্য্যক তল পেলাই কালি সদনৰ ভিতৰে বাহিৰে সংঘটিত হোৱা ঘটনাসমূহে আগস্থান লাভ কৰিলে- সৰ্বত্ৰ চৰ্চা লাভ কৰিলে। আমি সকলোৱে আমাৰ আচৰণৰে এই পবিত্ৰ উপাসনাস্থলীক নিন্দিত কৰি তুলিলো। সদনৰ ভিতৰত সংঘটিত হোৱা এটা দুৰ্ভাগ্যজনক ঘটনাৰ অচিলাৰে সংঘটিত হোৱা এই আচৰণে জনসাধাৰণক হতচকিত কৰি তুলিলে। মই ব্যক্তিগতভাৱে অনুভৱ কৰো যে এজনে কৰা এটা কাৰ্য্যক ভুল বুলি জানিও তাৰ প্ৰতিকাৰ স্বৰূপে সেই ভুলৰ পুনৰাবৃত্তি কৰাজনৰ কাৰ্য্যহে অধিক গুৰুতৰ বা দৃষ্টিকটু হয়।

উপাসনাস্থলী সমূহত প্ৰৱেশ কৰোতে যেনেদৰে জোতা চেণ্ডেলকে আদি কৰি বিভিন্ন বৰ্জনীয় সামগ্ৰীসমূহ পৰিত্যাগ কৰি পবিত্ৰ মনেৰে প্ৰৱেশ কৰা হয় ঠিক তেনেদৰে গণতন্ত্ৰৰ এই পবিত্ৰস্থলী সদনৰ চৌহদত প্ৰৱেশ কৰোতেও নিৰ্দিষ্ট নীতি-নিয়ম পালন কৰি পৱিত্ৰতাৰে প্ৰৱেশ কৰা উচিত। তাৰ বিপৰীতে জেওৰা, লাঠি আদিৰ দৰে অনাকাংক্ষিত পৰিৱেশৰ সৃষ্টি কৰিব পৰা সামগ্ৰী লৈ প্ৰৱেশ কৰাটো কিমান সমীচিন সেইটো আমি সকলোৱে বিবেচনা কৰা উচিত। জনগণে আমাক তেওঁবিলাকৰ সমস্যাসমূহ সবলভাৱে উত্থাপন কৰিবলৈ নিৰ্বাচিত কৰি পঠিয়াইছে। সদনলৈ প্ৰৱেশ কৰা বাট ৰুদ্ধ কৰি সদনৰ কাম-কাজ অচল কৰি জনগণে নিজ সমস্যাসমূহ উত্থাপন কৰিবলৈ নিৰ্বাচিত কৰি পঠিওৱা জনপ্ৰতিনিধিক তেওঁলোকৰ সমস্যাসমূহ উত্থাপন কৰাৰ পৰা বঞ্চিত কৰাটো কিমান সমীচিন, সেই প্ৰশ্নটো মই মাননীয় সদস্যসকলৰ ওপৰত এৰিলো।

মাননীয় সদন, অধ্যক্ষৰ এই আসন নীতি-নিয়মেৰে পৰিবেষ্টিত আৰু পৰিচালিত। এই আসনে সদনৰ কাম-কাজ সুচাৰুৰূপে নিৰ্দিষ্ট নিয়মৰ ভিতৰত সম্পন্ন হোৱাটো সুনিশ্চিত কৰে। দেখাত কেতিয়াবা এই আসনৰ নিৰ্দেশ একপক্ষীয় যেন লাগিলেও প্ৰকৃতাৰ্থত তেনেকুৱা নহয়। সকলো দিশ চালি-জাৰি চাই এক সিদ্ধান্ত প্ৰদান কৰোতে কোনো এজন অসন্তুষ্ট হোৱাটো অস্বাভাৱিক নহয়। কিন্তু সেইবুলি এই আসনৰ মৰ্য্যাদাক প্ৰশ্ন কৰাটোও সমীচিন নহয়।

কালি সংঘটিত হোৱা ঘটনাই সদনৰ মান-মৰ্য্যাদা, গৰিমা তথা সুনামত আঘাত হানি এক মচিব নোৱাৰা যি অশুভ পৰম্পৰাৰ সৃষ্টি কৰিলে তাৰ বাবে এই সদনৰ সমূহ সদস্যৰ হৈ ৰাজ্যখনৰ কোটি কোটি জনগণৰ ওচৰত ক্ষমা বিচাৰিলো।

অনাগত দিনসমূহত নিয়মাৱলীত সন্নিবিষ্ট সদাচাৰপূৰ্ণ আচৰণ প্ৰদৰ্শনেৰে সদনৰ কাম-কাজ পৰিচালনা কৰাত সহযোগ কৰি জনগণৰ সমস্যাসমূহৰ আশু সমাধানৰ অংশীদাৰ হ'বলৈ সকলো মাননীয় সদস্যকে আহ্বান জনালো।

মই পুনৰবাৰ কোনো অনাহূত দুৰ্ভাগ্যজনক ঘটনাৰ পুনৰাবৃত্তি নঘটাৰ কামনা কৰি আমাক নিৰ্বাচিত কৰি পঠিওৱা ৰাইজক আস্বস্ত কৰা আচৰণ প্ৰদৰ্শনৰ বাবে সকলোকে আহ্বান জনালো।"

**(খ)** "মাননীয় সদস্যসকল, সদনৰ চৌহদত শ্ৰী নুৰুল হুদাকে আদি কৰি একাংশ সদস্যই উপাধ্যক্ষ মহোদয়ক শাৰীৰিকভাৱে অপদস্থ কৰাৰ অভিযোগ উত্থাপন হৈছে। এই বিষয়ৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি মই বিষয়টো পৰীক্ষা তথা তদন্তৰ বাবে বিশেষাধিকাৰ সমিতিলৈ প্ৰেৰণ কৰিলো। পৰৱৰ্তী অধিৱেশনত এই সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিব। বিষয়টোৰ লগত মাননীয় উপাধ্যক্ষ তথা বিশেষাধিকাৰ সমিতিৰ সভাপতিৰ নামো জড়িত হৈ পৰাত এক সম্পূৰ্ণ নিৰপেক্ষ তদন্তৰ স্বাৰ্থত উক্ত ঘটনাটোৰ অনুসন্ধানৰ কালছোৱাত সমিতিৰ সভাপতিত্বৰ দায়িত্ব সমিতিৰ আন এজন মাননীয় সদস্যক অৰ্পণ কৰা হ'ব।"

দিনটোৰ বাবে নিৰ্ধাৰিত কাৰ্য্যসূচীৰ অন্ত পৰাত মাননীয় অধ্যক্ষই সামৰণি বক্তব্য প্ৰদান কৰে।

**<u>বিয়লি ৩.৫৩ বজাত</u>**

**১৫.১১ জাতীয় সংগীত**

জাতীয় সংগীত পৰিৱেশনেৰে বাজেট অধিবেশনৰ কাৰ্য্যসূচীৰ সামৰণি পৰে।

**<u>বিয়লি ৩.৫৫ বজাত</u>**

সদন মঙ্গলবাৰ বিয়লি ৩.৫৫ বজাত অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হ'ল।

দিশপুৰ

২৫ মাৰ্চ, ২০২৫

স্বাঃ/- **দুলাল পেগু**
সচিব
অসম বিধান সভা

মেমো নং এল,এ,এল,এন,জি/বি,এল/০১/২০২৪/২৫১৬ দিশপুৰ ২৯ মাৰ্চ, ২০২৫

অসম বিধান সভাৰ সমূহ মাননীয় সদস্য/সদস্যাৰ জ্ঞাতাৰ্থে প্ৰতিলিপি প্ৰেৰণ কৰা হ'ল।

বিতৰ্কসমূহৰ মুখ্য প্ৰতিবেদক
তথা পদেন যুটীয়া সচিব
অসম বিধান সভা

रावसोलायनाय

# आसाम आयेन आफाद
## (रांबावजा जथुम)
## बिबुंसार-I
## लिरबिदांनि सुंथाब रेबगान्थि
## मंगलबार, 25 मार्च, 2025

**फुंनि 9.30 रिंगा**

**15.1 सोंथिफोर**

**i. खुगायारि सोंथिफोर**

खुगायारि सोंथिनि 241 नं निफ्राय 250 नं फारिसिम खुगायारि फिननाय होनाय जायो।

सोंथि नं 251 निफ्राय 260 नं सोंथिसिम फिननायखौ जथुमनि आरांगायाव होनाय जायो।

**ii. लिरनाय महरनि सोंथिफोर**

लिरनाय महरनि सोंथि नं 577 निफ्राय 612 सिम फिननायखौ जथुमनि आरांगायाव होनाय जायो।

**फुंनि 10.30 रिंगा**

**15.2 लाथिख' सम**

गाहायाव होनाय सोद्रोमाफोरा मख'नाय आयदाफोरखौ दैखांदोंमोन:

(i)मानगोनां सोद्रोमा मुस्रि तेरस गवालाया दैखांदोंमोन:

"অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ গৌৰৱোজ্জ্বল ইতিহাস ভাৰতবৰ্ষৰ সকলো সচেতন ব্যক্তিয়েই জানে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ৰাজকোষে আগবঢ়োৱা চাহ উদ্যোগৰ বৰঙণি অপৰিসীম। ৰ'দ, বৰষুণ, ভোক-পিয়াহ সকলো নেওচি কপালৰ কেঁচা ঘাম আই অসমীৰ বুকুত পেলাই হাবি-জংগল কাটি, নলা-নৰ্দমা সকলো সমান কৰি চাহ খেতি উৎপাদনত জড়িত হোৱা চাহ শ্ৰমিক সকলৰ সামাজিক নিৰাপত্তাৰ আৰু শ্ৰম কৰাৰ বিনিময়ত আইনগত সা-সুবিধা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা বাগিছা শ্ৰম আইন ১৯৫১ আছে। আইন প্ৰদত্ত কিছু সা-সুবিধা সম্পৰ্কে চাহ শ্ৰমিক সকল কিছু অৱগত। কিন্তু অসমৰ চাহ বাগিছাত নিয়োজিত চাহ শ্ৰমিক সকল কঠোৰ পৰিশ্ৰমৰ বিনিময়ত পাবলগীয়া নূন্যতম দৈনিক মজুৰী বৃদ্ধি প্ৰক্ৰিয়া সম্পৰ্কে জ্ঞাত নোহোৱাৰ বাবে চাহ শ্ৰমিক সকল হতাশাত ভূগিব লগা হয়।"

मानगोनां मन्थ्रि मुस्रि रुपेस गवालाया दैखांनाय आयदानि सायाव फिननाय होयो।

(ii)मानगोनां सोद्रोमा मुस्रि आब्दुर रसिद मन्दलआ दैखांदोंमोन:

"প্ৰশ্ন কাকত ফাদিল- পৰীক্ষা বাতিল, শিক্ষা পৰিষদৰ অধ্যক্ষ-পৰীক্ষা নিয়ন্ত্ৰকক বৰ্ণান্তৰ দাবী দল-সংগঠনৰ।"

मानगोनां मन्थ्रि डा: रन'ज पेगुवा दैखांनाय आयदानि सायाव फिननाय होयो।

(iii)मानगोनां सोद्रोमा मुस्रि मृनाल सइकियाया दैखांदोंमोन:

"কাৰ্বি আংলং জিলাৰ বোকাজান সমষ্টিৰ অন্তৰ্গত দেওপানী অঞ্চলত অৱস্থিত ঐতিহ্যমণ্ডিত দেওপানী থান খন এটা বয়ৱসায়িক গোষ্ঠীয়ে ব্যক্তিগত সম্পত্তিৰ দৰে ব্যবহাৰ কৰি আহিছে আৰু ভক্ত সকলে আগবঢ়োৱা সকলো দান-বৰঙণী আত্মসাৎ কৰিছে, এই গুৰুত্বপূৰ্ণ বিষয়টো বিধান সভাত আলোচনা কৰা হওঁক।"

मानगोनां मन्थ्रि मुस्रि बिमल बराया दैखांनाय आयदानि सायाव फिननाय होयो।

**फुंनि 11.19 रिंगा**

**15.3 नोजोर बोहोनाय**

मानगोनां सोद्रोमा मुस्रि जाकिर हुसेइना गाहायाव होनाय आयदाखौ दैखांदोंमोन:

"গঢ়াখহনীয়া ৰোধ আৰু মথাউৰি নিৰ্মাণ সম্পৰ্কে"

मानगोनां मन्थ्रि मुस्रि पिजुस हाजरिकाया दैखांनाय आयदानि सायाव फिननाय होयो।

**फुंनि 11.29 रिंगा**

**15.4 खान्थि-301नि सिङाव जुनिया मुंखनाय:**

गाहायाव होनाय सोद्रोमाफोरा मख'नाय आयदाफोरखौ दैखांदोंमोन:

**(i)** मानगोनां सोद्रोमा मुस्रि दिप्लु रन्जन शर्माया दैखांदोंमोन:

**"Proposal for introducing a mandatory 'Library Hour' in government School"**

मानगोनां मन्थ्रि डा: रन'ज पेगुवा दैखांनाय आयदानि सायाव फिननाय होयो।

**(ii)** मानगोनां सोद्रोमा मुस्रि रमेन्द्र नारायन कलिताया दैखांदोंमोन:

"মেটেকাৰে ভৰিছে সৰুচলা বৰচলা বিল"

मानगोनां मन्थ्रि मुस्रि जयन्त मल्ल बरुवाया दैखांनाय आयदानि सायाव फिननाय होयो।

**(iii)** मानगोनां सोद्रोमा मुस्रि सुजाम उद्दिन लस्करा दैखांदोंमोन:

"বেয়ালিপার জিপিতে প্রধানমন্ত্রী আবাস যোজনার তালিকা তৈরিতে অনিয়মর অভিযোগ সম্পর্কে আলোচনার বাবে।"

मानगोनां मन्थ्रि मुस्रि रन्जित कुमार दासा दैखांनाय आयदानि सायाव फिननाय होयो।

**सानजौफुनि 12.02 रिंगा**

**15.5 फोरमायथिलाइ गथायनाय**

मानगोनां मन्थ्रि मुस्रि चन्द्र महन पाटवारिया सोलायनाय आरो जौगाखां बिफाननि 2023-24 मायथाइनि बोसोरारि खुंथायारि फोरमायथिखौ गथायो।

**सानजौफुनि 12.03 रिंगा**

**15.6 CAG नि फोरमायथिलाइ गथायनाय**

मानगोनां मन्थ्रि मुस्रि चन्द्र महन पाट'वारीया जायगानि आफादफोरनि सायाव भारतनि सामलायग्रा आरो सानजाद नायबिजिरग्रा आफादनि फारियै 2021-22, 2022-23 मायथाइनि फोरमायथिखौ गथायो।

**सानजौफुनि 12.04 रिंगा**

**15.7 जथुमाव आफादफोरनि फोरमायथि गथायनाय**

(i) **मुस्रि नुरुल हुदा**, मासिगिरिया आसाम आयेन आफादनि सुबुं सानरिखि आफादनि 189थि, 190थि, 191थि आरो 192थि फोरमायथिखौ जथुमाव होयो।

(ii) **मुस्रि तेरस गवाला**, मासिगिरिया आसाम आयेन आफादनि आर्जिलाइ आफादनि 51थि फोरमायथिखौ जथुमाव होयो।

(iii) **मुस्रि चक्रधर ग'गै**, मासिगिरिया आसाम आयेन आफादनि जायगानि फुन्जि सानरिखि आफादनि 11थि आरो 12थि फोरमायथिखौ जथुमाव होयो।

(iv) **मुस्रि सुशान्त बरगहाइ,** मासिगिरिया आसाम आयेन आफादनि सरखारि रादाइ दाग्रा आफादनि 59थि फोरमायथिखौ जथुमाव होयो।

**सानजौफुनि 12.05 रिंगा**

**15.8 सरखारि बिखान्थि- गनायथिनाय**

(a) **The Assam Coaching Institutes (Control and Regulation) Bill, 2025**

मानगोनां मन्थ्रि डा: रन'ज पेगुवा बिखान्थिखौ नायबिजिरनो थाखाय थांखि दैखांदोंमोन।

सावरायनायाव गाहायाव होनाय सोद्रोमाफोरा सावरायनायाव बाहागो लायो:

1. मुस्रि आब्दुर रसिद मन्दल
2. मुस्रि आमिनुल इसलाम(देरसिन)
3. ड० परमानन्द राजबंसि
4. मुस्रि दुर्गा दास बर'
5. मुस्रि नुरुल हुदा
6. ड० रफिकुल इसलाम
7. मुस्रि द्विपायन चक्रबर्टि
8. मुस्रि रुपज्योति कुर्मि

9. मुस्रि वाजेद आलि सौधुरि
10. मुस्रि कृष्ण कमल ताति
11. मुस्रि जाकिर हुसेइन चिकद्दार
12. मुस्रि मनरन्जन तालुकदार
13. मुस्रि गबिन्द चन्द्र बसुमतारि
14. मुस्रि कमलक्ष दे पुरकायस्थ
15. मुस्रि सेरमान आलि आहमेद
16. मुस्रि गनेश कुमार लिम्बु

*

मानगोनां मन्थ्रि डा: रन'ज पेगुवा सावरायनायनि फिननाय होयो।

डा: रन'ज पेगुवा नायबिजिरनो थाखाय दैखांनाय थांखिया गनायजायो आरो खोन्दो-खोन्दोयै नायबिजिरनाय जायो

खोन्दो 2 आ आजाव जायो।

खोन्दो 3 आ सोदांनायजों आजाव जायो।

खोन्दो 4 आ आजाव जायो।

खोन्दो 5 आ आजाव जायो।

खोन्दो 6 आ आजाव जायो।

खोन्दो 7 आ आजाव जायो।

खोन्दो 8 आरो 9 आ आजाव जायो।

खोन्दो 10 आ आजाव जायो।

खोन्दो 11 आ आजाव जायो।

खोन्दो 12 आ आजाव जायो।

खोन्दो 13 निफ्राय 16 आजाव जायो।

खोन्दो 17 आ आजाव जायो।

खोन्दो 18 आ आजाव जायो।

खोन्दो 19 आ आजाव जायो।

..........................................................................................................................

*बेलासिनि 1.45 रिंगायाव डा: रन'ज पेगुवा फिननाय होबाय थानाय समाव, मानगोनां लेडाइ बुंथिगिरिया मुस्रि सेरमान आलिखौ जथुमनिफ्राय एरखयो।

खोन्दो 20  आ आजाव जायो।

खोन्दो 21  आ आजाव जायो।

खोन्दो 1: बिखान्थिनि बुंफुरलु, जागायनाय आरो गोलाव बिमुंखौबो गनायथिनाय जायो।

मानगोनां मन्थ्रि डा: रन’ज पेगुवा बिखान्थिखौ गनायथिनो थाखाय थांखि दैखाङो।

थांखिखौ आजावो आरो बिखान्थिखौ गनायथि होनाय जायो।

(b) **The Assam Veterinary and Fishery University (Amendment) Bill, 2025**

मानगोनां मन्थ्रि मुस्रि कृष्णेन्दु पालआ बिखान्थिखौ नायबिजिरनो थाखाय थांखि दैखांदोंमोन। सावरायनायाव गाहायाव होनाय सोद्रोमाफोरा सावरायनायाव बाहागो लायो:

1. मुस्रि आब्दुर रसिद मन्दल
2. ड० रफिकुल इसलाम
3. मुस्रि आमिनुल इसलाम(देरसिन)
4. मुस्रि जाकिर हुसेइन सिकद्दार

मानगोनां मन्थ्रि मुस्रि कृष्णेन्दु पालआ सावरायनायनि फिननाय होयो।

मुस्रि कृष्णेन्दु पालआ नायबिजिरनो थाखाय दैखांनाय थांखिया गनायजायो आरो खोन्दो-खोन्दोयै नायबिजिरनाय जायो।

खोन्दो 2  आ आजाव जायो।

खोन्दो 3  आ आजाव जायो।

खोन्दो 4  आ आजाव जायो।

खोन्दो 5 आरो 7 आ आजाव जायो।

खोन्दो 8  आ सोदांनायजों आजाव जायो।

खोन्दो 9 आरो 12  आ आजाव जायो।

खोन्दो 1: बिखान्थिनि बुंफुरलु, जागायनाय आरो गोलाव बिमुंखौबो गनायथिनाय जायो।

मानगोनां मन्थ्रि डा मुस्रि कृष्णेन्दु पालआ बिखान्थिखौ गनायथिनो थाखाय थांखि दैखाङो।

थांखिखौ आजावो आरो बिखान्थिखौ गनायथि होनाय जायो।

**बेलासिनि 2.52 रिंगा**

**15.9   खान्थि-131 नि सिङाव थांखि दैखांनाय- गनायथिमोनै**

मानगोनां बेरेखा हान्जानि दैदेनगिरि मुस्रि देबब्रत सइकीया थांखि दैखाङोः

“बे जथुमा थाखि लायोदि, आसाम सरखारजों बेखेव जानाय “अरुणादय” बिथांखिखौ मावफुंनायाव गुबुंले खान्थि बेरेखा जाख्ल’नायखौ फोजोबस्रांनो थाखाय गोख्रों राहा लानांगौ आरो आरो मोननो हाथाव गोरिब रान्दि, फिसाय गारनाय आइजोफोर, जर’खायै बेंगुरा सुबुंफोरखौ बे बिथांखिनि सिङाव होग्रोथाइ होनाय जाथों।”

सावरायनायाव गाहायाव होनाय सोद्रोमाफोरा सावरायनायाव बाहागो लायो:

1. मुस्रि आमिनुल इसलाम(देरसिन)
2. मुस्रि आब्दुल बाटिन खन्दकार
3. मुस्रि चक्रधर गगै
4. ड० रफिकुल इसलाम
5. मुस्रि दिगन्त बर्मन
6. मुस्रि कमलक्ष दे पुरकायस्थ
7. मुस्रि जाकिर हुसेइन सिकद्दार
8. मुस्रि आब्दुर रसिद मन्दल
9. मुस्रि दुर्गा दास बर’

मानगोनां मन्थ्रि मुस्रिमा अजन्ता नेउगा फिननाय होयो। जथुमाव थांखिनि भ’ट लानाय जायो आरो गनायथि मोनाखैमोन।

**बेलासिनि 3.37 रिंगा**

**15.10 फोसावनाय**

(**a**) मानगोनां बुंथिगिरिया आसाम आयेन आफादनि गुबुन गुबुन आफादफोरनि सायख’जानाय सोद्रोमाफोरनि मुंखौ फोसावो।

i. मुस्रि बिजय मालाकार- सुबुं सानरिखि आफाद
ii. मुस्रि कृष्ण कमल ताति- रानखाग्रा आफाद
iii. मुस्रि प्रमद बरठाकुर- सुबुं खोन्दो आवथा आफाद
iv. मुस्रि सन्जय किषान- गुबुन गुबुन गोलैसोनाय थाखो आरो बांसिन गोलैसोसननाय थाखोफोरनि अनसाइ आफाद

(b) मानगोनां बुंथिगिरिया बड’लेण्ड मुलुगसोलोंसालि कर्टनि सायख’जानाय सोद्रोमाफोरनि मुंखौ फोसावो-

1. मुस्रि अजय कुमार राय
2. मुस्रि गबिन्द चन्द्र बसुमतारि
3. मुस्रि जलेन दैमारि

4. मुस्रि जिरन बसुमतारि

5. मुस्रि जाकिर हुसेइ सिकद्दार

6. मुस्रि जादब सर्गियारि

7. म: आमिनुल इसलाम

(c)मानगोनां बुंथिगिरिया कृष्ण कान्त सन्दिकै हादाबसा उदां मुलुगसोलोंसालिनि सामलायग्रा आफादनि सायख'जानाय सोद्रोमाफोरनि मुंखौ फोसावो-

i. मुस्रि रुपक सर्मा

ii. मुस्रि धर्मेश्वर कुवर

*(d) मानगोनां बुंथिगिरिया गाहायाव होनाय आयदाफोरनि बिथोन फोसावो-

(i)मानगोनां मन्थ्रि मुस्रि अशक सिंहालनि बेरेखायै मानगोनां बेरेखा हान्जानि दैदेनगिरि मुस्रि देबब्रत सइकियाया मिथिसार होनाय।

(ii)मानगोनां गिबि मन्थ्रि ड० हिमन्त बिश्व शर्मानि बेरेखायै बिटिसिआव बुंथिगिरिनि राहालानाय आयदायाव सावरायनायाव होनाय बिबुंथिनि सायाव जुनिया मोनथाइ सिफायनायनि थाखाय मानगोनां बेरेखा हान्जानि दैदेनगिरिया होनाय मिथिसार।

(iii)मानगोनां गिबि मन्थ्रि ड० हिमन्त बिश्व शर्मानि बेरेखायै बिजिरगिरि(आजिरा मोननाय) बि. के. शर्मा आफादनि फोरमायथिखौ लानानै सावरायनायाव गोरोन्थि बिबुंथि होनायनि सायाव जुनिया मोनथाइ सिफायनायनि थाखाय मानगोनां बेरेखा हान्जानि दैदेनगिरिया होनाय मिथिसार।

(e)मानगोनां लेडाइ बुंथिगिरिनि सायाव जथुमनि सोद्रोमाया खान्थि बेरेखा बाहायनायनि अजद आरो जाय आयदाखौ आसाम आयेन आफादनि उफ्रा खाबु आफादनो गथायनाय।

हाबाफारियाव होनाय आयदाफोरा जोबनाय लोगो लोगो मानगोरनां बुंथिगिरिया साबायखर बिबुंथि होयो।

**बेलासिनि 3.53 रिंगा**

**15.11 हादाबसानि मेथाइ**

हादाबसा मेथाइ रोजाबनाय जायो।

**बेलासिनि 3.55 रिंगा**

जथुमखौ बेलासिनि 3.55 रिंगायाव थि गैयै समसिम दोनथ'यो।

**दिसपुर**

25 मार्च, 2025

**मुंसाइ- दि. पेगु**

नेहाथारि

आसाम आयेन आफाद

मेम' नं. LALNG/BL /01/2024/2516

खालार दिसपुर, 25 मार्च, 2025

रेबस्लाय दैथायनाय :

1. आसाम आयेन आफादनि गासै सोद्रोमा।

मुंसाइ-

गाहाइ फोरमायग्रा-लोगोसे-दान्थेबिदान्थे गाहाइ सुजुगिरि

आरो मासियारि जुथाइ नेहाथारि

आसाम आयेन आफाद